**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-08-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

----------- ------------

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আবাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল কর্তৃপক্ষই সুৰক্ষাৰ দিশত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অনুষ্ঠানটোৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্যই জাৰি কৰা এখন নির্দেশনা অনুসৰি নিশা কর্তব্যত নিয়োজিত মহিলা চিকিৎসকলৰ বাবে জি এম চি এইচৰ কেজুৱেলিটি বিভাগত বিশেষ বাহনৰ ব্যৱস্থা থাকিব। মূল হাস্পতাল চৌহদ, ছুপাৰ স্পেচিয়েলিটী হাস্পতাল, চি এন চেণ্টাৰ আৰু ৩ নম্বৰ ছাত্ৰাবাসলৈ অহা-যোৱা কৰাৰ বাবে কর্তব্যৰত চিকিৎসকসকলে দায়িত্বত থকা কেজুৱেলিটি বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। কেজুৱেলিটি বিষয়াই কর্তব্যৰত মহিলা চিকিৎসকৰ বাবে বাহনৰ ব্যৱস্থা কৰাৰ লগতে এগৰাকী মহিলা সুৰক্ষা কৰ্মী থকাটো নিশ্চিত কৰিব।

ইফালে, আন এটা নির্দেশনা অনুযায়ী ৰোগীৰ সৈতে অহা ৰেড কার্ড থকা পৰিয়ালৰ সদস্যৰ বাহিৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত সন্ধিয়া ৬ বজাৰ পাছত আন লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। নির্দেশনাত উল্লেখ কৰা মতে চৌহদৰ পৰা অকর্তৃত্বশীলভাৱে থকা লোকসকলক আঁতৰাই পঠোৱাৰ বাবে সুৰক্ষাৰ দায়িত্বত থকা বিষয়াজন দায়বদ্ধ হ'ব। এইক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিষয়াজনে ভঙাগড় আৰক্ষীৰ সহায় ল'ব পাৰিব। ইয়াৰ উপৰিও নির্দেশনা অনুযায়ী সকলো গৃহৰক্ষী জোৱান ব্যক্তিগত সুৰক্ষা কৰ্মী আৰু নির্মাণ শ্রমিকে সন্ধিয়া ৬ বজাৰ পাছত পৰিচয় পত্ৰ পিন্ধিব লাগিব।

আনহাতে, দেশজুৰি আলোড়ন সৃষ্টি কৰা কলকাতাৰ  চিকিৎসকগৰাকীৰ ধৰ্ষণ আৰু হত্যাৰ গোচৰত অভিযুক্ত সঞ্জয় ৰয়ৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে মনস্তাত্বিক পৰীক্ষা কৰিব। ইয়াৰ বাবে দিল্লীস্থিত কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰৰ মনোবৈজ্ঞানিক আৰু আচৰণগত বিশ্লেষকৰ এটা দল ইতিমধ্যে কলকাতাত উপস্থিত হৈছে। চিবিআইয়ে সঞ্জয় ৰয়ক ইতিপূর্বে জিম্মাত লৈছে। ইপিনে, আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰাক্তন অধ্যক্ষ ডাঃ সন্দীপ ঘোষক কালি চি বি আইয়ে একেৰাহে দ্বিতীয় দিনৰ বাবে কেইবাঘণ্টা ধৰি জেৰা কৰে। চিবিআইয়ে পুনৰ জেৰা কৰাৰ বাবে তেওঁলৈ চমন জাৰি কৰিছে।

০০০

পৱিত্ৰ ভাদ মাহৰ আজি প্ৰথম দিন। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাদ মাহৰ আৰম্ভণি উপলক্ষে ভক্তপ্ৰাণ ৰাইজক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ৰাজ্যবাসীৰ মংগল তথা শ্ৰীবৃদ্ধি কামনা কৰিছে। অসমৰ সমাজ জীৱনত ভাদ মাহৰ আধ্যাত্মিক গুৰুত্বৰ বিষয়ে উল্লেখ কৰি শ্ৰী সোণোৱালে মহাপুৰুষ দুজনাৰ তিথি, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আদি বিভিন্ন পাৰ্বন আৰু নাম-প্ৰসংগৰে মুখৰিত পৱিত্ৰ মাহটোৱে জনজীৱনলৈ ভাতৃত্ববোধ আৰু ভক্তি চেতনা কঢ়িয়াই আনে বুলি মত প্ৰকাশ কৰে।

বিত্তমন্ত্ৰী অজন্তা নেওগ, মীন মন্ত্ৰী কেশৱ মহন্ত, কৃষি মন্ত্ৰী অতুল বৰা আৰু কাজিৰঙা লোকসভা সমষ্টিৰ কামাখ্যা প্ৰসাদ তাছাই পহিলা ভাদৰ দিনটোত গোলাঘাটৰ আঠখেলীয়া নামঘৰত উপস্থিত হৈ ভকত-

বৈষ্ণৱৰ সৈতে ৰাজ্যৰ উন্নতিৰ বাবে আশীৰ্বাদ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত আৰু বিত্তমন্ত্ৰী অজন্তা নেওগৰ প্ৰচেষ্টাত ২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা নামঘৰৰ মণিকূট আৰু দুমহলীয়া অতিথি গৃহৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়।

ইফালে, যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, মইনাপৰীয়া নামঘৰকে ধৰি বিভিন্ন নামঘৰ আৰু সত্ৰত আজিৰেপৰা মাহজোৰা পালনাম আৰম্ভ হৈছে। ঢেকীয়াখোৱা বৰনামঘৰৰ পৰিচালনা সমিতিয়ে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহিবলগীয়া হাজাৰ হাজাৰ ভক্তক আদৰিবলৈ নামঘৰ প্ৰাংগণ সজাই-পৰাই তুলিছে। এই উদ্দেশ্যে খোৱাপানী, গাড়ী ৰখা ঠাই আদিৰ সু-ব্যৱস্থা সুনিশ্চিত কৰাৰ লগতে জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থাও কটকটীয়া কৰি তুলিছে। ভাদ মাহ উপলক্ষে মহানগৰীতো নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। মহানগৰীৰ বিভিন্ন প্ৰান্তত থকা নামঘৰসমূহত আই মাতৃসকলে আজি মাহজোৰা নাম-কীৰ্তনৰ আৰম্ভণি কৰিছে।

০০০

তিনিচুকীয়া নগৰৰ দেওবৰীয়া বজাৰখন গেলাপুখুৰী বাইপাছত নতুনকৈ নিৰ্মাণ কৰা অত্যাধুনিক বজাৰ গৃহলৈ স্থানান্তৰ কৰাক লৈ ৰাইজৰ মাজত দেখা দিয়া দ্বিধাগ্ৰস্ততাৰ পৰিপ্ৰেক্ষিতত আজি জিলা আয়ুক্ত স্বপ্নীল পালে এখন সাতজনীয়া সমিতি গঠন কৰে। বজাৰখনৰ স্থানান্তৰৰ ক্ষেত্ৰত থকা সুবিধা-অসুবিধাসমূহৰ বিষয়ে অধ্যয়ন কৰি সু-সংবদ্ধভাৱে দেওবৰীয়া বজাৰ সঞ্চালনাৰ বাবে পৰামৰ্শ আগবঢ়াবলৈ সমিতিখন গঠন কৰি দিয়া হৈছে বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে। এই সম্পৰ্কত ৰাইজৰ মতামত সংগ্ৰহ কৰাৰ লগতে বিভিন্ন অঞ্চলৰ বিক্ৰেতাসকলৰ সৈতেও আলোচনা কৰা হ'ব বুলি শ্ৰী পালে জানিবলৈ দিছে। এই মতামতসমূহৰ ভিত্তিত এখন বিস্তৃত পৰিকল্পনা ২২ আগষ্টৰ ভিতৰত জিলা আয়ুক্তৰ ওচৰত দাখিল কৰিব লাগিব বুলি আজি এটা নিৰ্দেশযোগে সংশ্লিষ্ট সমিতিক অৱগত কৰা হৈছে।

০০০

চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা প্ৰত্নতত্ব বিভাগ আৰু কেইবাগৰাকী ব্যক্তিক আজি মৈদাম প্ৰাঙ্গনত সম্বৰ্ধনা জনোৱা হয়। স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পন সমিতি, সদৌ টাই আহোম ছাত্ৰ সন্থাকে ধৰি কেইবাটাও সংগঠন আৰু চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আয়োজিত এই সভাত সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে। এই সভাত প্ৰত্নতত্ব বিভাগৰ শীৰ্ষ বিষয়া, সাংস্কৃতিক বিশেষজ্ঞ, মৈদাম সংৰক্ষণৰ দায়িত্বত থকা বহু লোকৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

০০০

ভাৰতীয় জনতা যুৱ মৰ্চা আৰু চাহ জনগোষ্ঠী মৰ্চাৰ টিংখাং, লেঙেৰী, আৰুৰ মৰাণ মণ্ডল কমিটিৰ উদ্যোগত চলিত বছৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ নিযুক্তিৰ পৰীক্ষাৰ বাবে আবেদন কৰা যুৱক-যুৱতীসকলৰ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতিৰ কৰ্মশালা আজি আৰম্ভ হৈছে। অঞ্চলটোৰ ৭ টা স্থানত আজি আয়োজিত কৰ্মশালা উদ্যোগ মন্ত্ৰী বিমল বৰাই উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশ লৈ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ব্যক্তিসকলৰ এই অনুষ্ঠানত অংশগ্ৰহণ দেখি সন্তুষ্টি প্ৰকাশ কৰে। ভৱিষ্যত জীৱনত সফলতাৰে অগ্ৰসৰ হোৱাৰ দিশত এই কাৰ্যসূচীয়ে তেওঁলোকক সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০

সমাপ্ত